**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-09-2023
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
Headlines

১। অসমত জলবায়ু পৰিৱৰ্তন উৎকৰ্ষ কেন্দ্ৰ স্থাপনত কেন্দ্ৰীয় চৰকাৰৰ আগ্ৰহ প্ৰকাশ।

২। ৰাজ্যৰ বিদ্যালয়সমূহৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে সমগ্ৰ শিক্ষা অসমৰ এহেজাৰ ৭৭০ খন বিদ্যালয়লৈ ১৩৭ কোটি ৪৭ লাখ টকা মুকলি।

৩। প্ৰবল বৃষ্টিপাতৰ আশংকা প্ৰকাশ কৰি নামনি অসমৰ ৬ খন জিলাত আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰৰ অৰেঞ্জ এলাৰ্ট জাৰি।

৪। আই চি চি এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি হায়দৰাবাদত হ'বলগীয়া খেলত পাকিস্তান নেডাৰলেণ্ডছৰ মুখামুখি।

*আৰু*

৫। চীনৰ হাংচৌত অনুষ্ঠিত এছিয়ান গেমছৰ পুৰুষ হকীৰ ফাইনেলত আজি ভাৰত জাপানৰ সন্মুখীন।

ooooooo

কেন্দ্ৰীয় চৰকাৰে অসমত জলবায়ু পৰিৱৰ্তন উৎকৰ্ষ কেন্দ্ৰ স্থাপনত আগ্ৰহ প্ৰকাশ কৰিছে। নতুন দিল্লীত কালি কেন্দ্ৰীয় বিজ্ঞান প্ৰযুক্তি বিভাগৰ সচিব ডং অভয় কাৰাণ্ডিকাৰৰ সৈতে বৈঠকৰ পাছত বিজ্ঞান প্ৰযুক্তি মন্ত্ৰী কেশৱ মহন্তই এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, ৰাজ্যখনত বিজ্ঞান প্ৰযুক্তি জনপ্ৰিয়কৰণৰ লগতে উদ্ভাৱনীমূলক চিন্তা তথা কাম-কাজত উদগনি যোগোৱাৰ বাবে ৰাজ্য চৰকাৰলৈ কেন্দ্ৰীয় চৰকাৰে বিশেষ সহযোগিতা আগবঢ়াব। জলবায়ু পৰিৱৰ্তন বিষয়ক গৱেষণামূলক কাম-কাজৰ ক্ষেত্ৰত সামৰ্থ বৃদ্ধিত সহায় কৰাৰ উপৰি অসমত জলবায়ু পৰিৱৰ্তন উৎকৰ্ষ কেন্দ্ৰ স্থাপন কৰা হ'ব। শ্ৰীমহন্তই সচিবগৰাকীৰ সৈতে এই সাক্ষাৎ কালত অসমত বিজ্ঞান প্ৰযুক্তিৰ দ্ৰুত প্ৰসাৰ, আন্তঃগাঁথনি বিকাশ, নৱপ্ৰজন্মৰ মাজত বিজ্ঞান জনপ্ৰিয়কৰণ তথা উদ্ভাৱনীমূলক চিন্তাক উদগনি যোগোৱাৰ বাবে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ যুটীয়া পদক্ষেপসমূহ সন্দৰ্ভত আলোচনা কৰে। মন্ত্ৰী শ্ৰীমহন্তই অসমত উৎকৰ্ষ কেন্দ্ৰ স্থাপনৰ বাবে ৰাজ্য চৰকাৰৰ বিজ্ঞান প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ পৰা শীঘ্ৰে এখন অৱধাৰণা পত্ৰ তথা আনুষ্ঠানিক প্ৰস্তাৱ বিভাগটোক দাখিল কৰাৰ প্ৰতিশ্ৰুতি দিয়ে। এই কাৰ্যসূচীত ৰাজ্যৰ বিজ্ঞান প্ৰযুক্তি আৰু পৰিৱেশ পৰিষদৰ সঞ্চালক ডং জয়দীপ বৰুৱায়ো অংশগ্ৰহণ কৰে।

oooooooo

ৰাজ্যৰ বিদ্যালয়সমূহৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে সমগ্ৰ শিক্ষা অসমে এহেজাৰ ৭৭০ খন বিদ্যালয়লৈ ১৩৭ কোটি ৪৭ লাখ টকা মোকলাই দিছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি সামাজিক মাধ্যম যোগে এই

বিষয়ে প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে, এই ধৰনেৰে বিদ্যালয়সমূহত অতিৰিক্ত শ্ৰেণী কোঠা, প্ৰস্ৰাৱগাৰ, বৈদ্যুতিকীকৰণ আদিৰ দ্বাৰা আন্তঃগাঁথনি উন্নয়ন সম্ভৱ হৈ উঠিব।

০০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা আৰোহণ আঁচনিৰ অধীনত ৰাজ্যৰ একাংশ শিক্ষানুষ্ঠানৰ দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে এক মত বিনিময় অনুষ্ঠানত অংশগ্ৰহণ কৰে। ডিব্ৰুগড়, ধেমাজি, হাইলাকান্দি আৰু দক্ষিণ শালমাৰা জিলাৰ দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ সৈতে মুখ্যমন্ত্ৰীগৰাকীয়ে মত বিনিময় কৰে। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড০ শৰ্মাই শিক্ষাৰ্থীসকলৰ সৈতে মত বিনিময় কৰি কয় যে, আৰোহণৰ মূল লক্ষ্য হ'ল জীৱনৰ পথত বিদ্যাৰ্থীসকলে জ্ঞান আহৰণ কৰি নিজকে এগৰাকী প্ৰকৃত মানৱ সম্পদ হিচাপে গঢ়ি তোলা। ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এখন বৃহৎ পৃথিৱীয়ে অপেক্ষা কৰি আছে বুলি উল্লেখ কৰি ড০ শৰ্মাই কয় যে আই আই টিৰ দৰে উচ্চ শিক্ষা প্ৰতিষ্ঠানত যিসকলে শিক্ষা লাভ কৰিবলৈ সক্ষম হৈছে সেয়া কেৱল তেওঁলোকৰ অসীম কষ্ট, অধ্যাৱসায় আৰু পৰিশ্ৰমৰ ফল। গতিকে সকলোৰে এনে পৰিশ্ৰম আৰু অধ্যাৱসায়ৰ বাবে এতিয়াৰ পৰাই সাজু হোৱা উচিত। উল্লেখ্য নৱম শ্ৰেণীৰ পৰ দশম শ্ৰেণীলৈ উত্তীৰ্ণ হোৱা মেধৱী ছাত্ৰ-ছাত্ৰীক এই আৰোহণ আঁচনিৰ জৰিয়তে উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান তথা অনুষ্ঠানসমূহ ভ্ৰমণ কৰাৰ সুযোগ প্ৰদান কৰা হয়। তদুপৰি এই আঁচনিৰ জৰিয়তে তেওঁলোকক আৰ্থিক অনুদান আগবঢ়োৱা হয়। ২০২২-২৩ বৰ্ষৰ পৰা আৰম্ভ হোৱা এই আঁচনিৰ জৰিয়তে যোৱা জানুৱাৰী মাহৰ পৰা ৪ হাজাৰ ৩২৫ গৰাকী বিদ্যাৰ্থীক পৰ্যায়ক্ৰমে গুৱাহাটীলৈ আনি এনে অনুষ্ঠানত অংশগ্ৰহণৰ সুবিধা দিয়া হৈছে। অনুষ্ঠানত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে অংশগ্ৰহণ কৰি কয় যে, ৰাজ্যৰ ছাত্ৰ-ছাত্ৰীসকলক শিক্ষামূলক ভ্ৰমণৰ মাজেৰে আত্মআৱিষ্কাৰৰ সুযোগ প্ৰদান তথা তেওঁলোকক জ্ঞান সাধনাৰ জগতখনেৰে পৰিচিৰত কৰোৱাৰ উদ্দেশ্যে আৰোহণ আঁচনিখন গ্ৰহণ কৰা হৈছে। অনুষ্ঠানত সাংস্কৃতিক মন্ত্ৰী বিমল বৰা, উচ্চ শিক্ষা বিভাগৰ সচিব নাৰায়ণ কোঁৱৰ, সমগ্ৰ শিক্ষা অভিযানৰ অভিযান সঞ্চালক ড০ ওম প্ৰকাশৰ লগতে আন কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০০০

গুৱাহাটী মহানগৰীত ফাঁচী বজাৰৰ পুৰণি কেন্দ্ৰীয় কাৰাগাৰ চৌহদত স্থাপন কৰা উদ্ভিদ উদ্যানৰ প্ৰৱেশ মাচুল, জনসাধাৰণৰ প্ৰৱেশৰ সময় আদি নিৰ্ধাৰণ কৰা হৈছে। এই সন্দৰ্ভত কালি গুৱাহাটী মহানগৰ উন্নয়ন প্ৰাধিকৰণে জাৰি কৰা জাননী অনুসৰি উদ্যানখন দিনৰ ১০ বজাৰ পৰা নিশা ১০ বজালৈ মুকলি থাকিব। নিশা ৯ বাজি ৪৫ মিনিটৰ পাছত টিকট বিক্ৰী কৰা নহ'ব। আনহাতে, প্ৰতি বুধবাৰে উদ্যানখন বন্ধ থাকিব। ৩ বছৰ পৰ্যন্ত শিশুৰ প্ৰৱেশ বিনামূলীয়া হোৱাৰ বিপৰীতে ৩ৰ পৰা ১০ বছৰলৈ ২০ টকা আৰু ১০ ৰ পৰা ৭৫ বছৰলৈ ৫০ টকা নিৰ্ধাৰণ কৰা হৈছে। ৭৫ বছৰৰ উৰ্ধৰ আৰু বিশেষভাৱে সক্ষমসকলৰ বাবে প্ৰৱেশ বিনামূলীয়া হ'ব। পুৱা ৫ বজাৰ পৰা ৮ বজালৈ প্ৰাতঃভ্ৰমণ কৰা সকলৰ বাবে প্ৰৱেশ বিনামূলীয়া যদিও পঞ্জীয়ন বাধ্যতামূলক বুলি কোৱা হৈছে। ইপিনে, উদ্যানখনত সাধাৰণ কেমেৰা ব্যৱহাৰ কৰা সকলে ১০০ টকা আৰু শ্বুটিঙৰ বাবে আগতীয়া অনুমতিসহ এদিনত ৩ হাজাৰ টকা আদায় দিব লাগিব বুলি কোৱা হৈছে।

০০০০০০০০

অসম লোকসেৱা আয়োগে পৰীক্ষা সন্দৰ্ভত এটা গুৰুত্বপূৰ্ণ ঘোষণা আগবঢ়াইছে। এই সন্দৰ্ভত জাৰী কৰা এটা বিবৃতিত  আয়োগে উল্লেখ কৰিছে যে, চলিত বৰ্ষৰ অক্টোবৰৰ শেষৰ ফালে ২০২২ বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক মূল পৰীক্ষাৰ ফলাফল ঘোষণাৰ সম্ভাৱনা আছে। মৌখিক সাক্ষাৎকাৰ প্ৰক্ৰিয়া অহা নৱেম্বৰ

মাহৰ প্ৰথম ভাগত অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে। ইয়াৰ লগতে ২০২৪ বৰ্ষৰ মাৰ্চ মাহৰ শেষৰফালে পৰৱৰ্তী সংযুক্ত প্ৰতিযোগিতামূলক প্ৰাৰম্ভিক পৰীক্ষা অনুষ্ঠিত কৰা হ'ব বুলি আয়োগে উল্লেখ কৰিছে। উল্লেখযোগ্য যে এইবাৰৰ পৰীক্ষা ৯১৩টা পদৰ বাবে অনুষ্ঠিত হৈছে।

oooooooo

কেবিনেট মন্ত্ৰী পীযুষ হাজৰিকাই মোৰ মাটি মোৰ দেশ কাৰ্যসূচীৰ অংশস্বৰূপে কালি জাগীৰোডৰ বঘৰা আৰু এজাৰবাৰী পঞ্চায়তত অমৃত কলহ যাত্ৰাত অংশগ্ৰহণ কৰে। এই কাৰ্যসূচীত মৰিগাঁৱৰ জিলা আয়ুক্ত দেৱজিৎ শৰ্মাসহ স্থানীয় ৰাইজে অংশগ্ৰহণ কৰে। ইপিনে শিৱসাগৰ জিলাৰ নাজিৰাত বিহুবৰ গাঁও পঞ্চায়তত কালি মোৰ মাটি, মোৰ দেশ কাৰ্যসূচী গ্ৰহণ কৰা হয়। মুখ্যমন্ত্ৰীৰ নিৰ্দেশ মৰ্মে ৰূপায়িত এই কাৰ্যসূচীত আত্মসহায়ক গোটৰ মহিলাসকলে শোভাযাত্ৰা উলিয়াই গাঁৱৰ বিভিন্ন প্ৰান্তৰ পৰা সংগ্ৰহ কৰি অনা মাটি কলহত জমা কৰি দিল্লীলৈ প্ৰেৰণ কৰাৰ বাবে বিহুবৰ পঞ্চায়তত জমা কৰে। এই কাৰ্যসূচীত মহকুমা প্ৰশাসনৰ বিষয়ববীয়া, গাঁও পঞ্চায়তৰ সভানেত্ৰীকে ধৰি সদস্যসকল আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। কৰিমগঞ্জ জিলাত বিজেপিৰ শন্দিল বৰিগ্ৰাম মণ্ডলৰ উদ্যোগত সন্যাসীবাৰীৰ পৰা অমৃত কলহ যাত্ৰা কৰা হয়। এই যাত্ৰা কুড়ীশাল গাঁৱত সামৰণি পৰে। চৰাইদেউ জিলাৰ নিমনাগড়, দিচাংপানী আৰু নিজখাঁলৈঘগুৱা গাঁও পঞ্চায়ত এলেকাত সংগ্ৰহ কৰা মাটিৰ কলহসমূহ তিনিখন গাঁও পঞ্চায়তৰ কাৰ্যলয়ত জমা কৰা হয়। এই উপলক্ষে উলিওৱা শোভাযাত্ৰাত ৰাজ্যৰ ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা মন্ত্ৰী যোগেন মহনে অংশগ্ৰহণ কৰে। মোৰ মাটি, মোৰ দেশ কাৰ্যসূচীৰ অধীনত শোণিতপুৰ জিলা প্ৰশাসনে জিলাখনৰ ৮২টা স্থানত যোৱা ২ অক্টোবৰৰ পৰা অহা ৯ অক্টোবৰলৈ অমৃত কলহ যাত্ৰাৰ আয়োজন কৰিছে। অমৃত কলহ যাত্ৰা অভিযানৰ পৰিপ্ৰেক্ষিতত শোণিতপুৰ জিলাৰ বিভিন্ন পঞ্চায়তত মাটি সংগ্ৰহ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। কালিৰ কাৰ্যসূচীত সাংসদ পল্লৱ লোচন দাসৰ লগতে বিধায়ক পৃথ্বীৰাজ ৰাভা আৰু গণেশ কুমাৰ লিম্বুয়ে নিজ নিজ সমষ্টিত এই যাত্ৰাত অংশগ্ৰহণ কৰে।

লখিমপুৰ জিলাৰ ঢকুৱাখনা সমষ্টিৰ বগীনদী উন্নয়ন খণ্ডৰ চাউলধোৱা গাঁও পঞ্চায়তৰ উদ্যোগত অমৃত কলহ পদযাত্ৰা অনুষ্ঠিত হয়।

oooooooo

ৰাজ্য চৰকাৰৰ এক লাখ চাকৰি প্ৰদান কাৰ্যসূচীৰ অধীনত দ্বিতীয় পৰ্যায়ৰ নিযুক্তি প্ৰক্ৰিয়া অতি সোনকালে আৰম্ভ কৰা হ'ব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কালি সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত এই কথা জানিবলৈ দিয়ে। পৰহিলৈ আৰক্ষী বিভাগত প্ৰায় চাৰে পাঁচ হাজাৰ পদৰ বাবে বিজ্ঞাপন প্ৰকাশ পোৱাৰ লগতে  চলিত মাহত চৰকাৰৰ আন আন বিভাগত খালী থকা প্ৰায় ১৫ হাজাৰ পদৰ বাবে বিজ্ঞাপন প্ৰকাশ পাব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। আনহাতে, অহা ১১ আৰু ১২ অক্টোবৰত অৰুণোদয় আঁচনিৰ অধীনত ৭ লাখ নতুন হিতাধিকাৰী অন্তৰ্ভুক্ত কৰাৰ লগতে মাইক্ৰ'ফাইনেন্সৰ অধীনত ২৫ হাজাৰ টকালৈকে ঋণ লোৱা মহিলাসকলৰ ঋণ ৰেহাই দিয়া হ'ব। এই মহিলাসকলে ঋণ ৰেহাইৰ পিছত এন অ' চি লাভ কৰাৰ লগতে ভৱিষ্যতে ঋণ ল'ব পাৰিব। একে সময়তে ৰাজ্যৰ চৰকাৰী বিদ্যালয়ৰ নৱম শ্ৰেণীত পঢ়ি থকা ছাত্ৰীসকলৰ মাজত চাইকেল বিতৰণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে মত প্ৰকাশ কৰে।

oooooooo

অহা ৯ অক্টোবৰলৈকে ৰাজ্যৰ বিভিন্ন প্ৰান্তত ধাৰাষাৰৰ পৰা মজলীয়া বৰষুণ অব্যাহত থাকিব। বৰঝাৰস্থিত আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই বৃহস্পতিবাৰে এই তথ্য সদৰি কৰিছে। ইয়াৰ পৰিপ্ৰেক্ষিততে

নামনি অসমৰ ৬খন জিলাত বতৰ বিজ্ঞান কেন্দ্ৰই অৰেঞ্জ এলাৰ্ট জাৰি কৰাৰ লগতে আন ১৬খন জিলা ইয়েল্ল' এলাৰ্ট জাৰি কৰিছে। অৰেঞ্জ এলাৰ্ট ঘোষণা কৰা জিলাকেইখন হৈছে— ধুবুৰী, দক্ষিণ শালমৰা-মানকাছৰ, ছিৰাং, গোৱালপাৰা, বঙাইগাঁও আৰু বৰপেটা জিলা। এইকেউখন জিলাতে অহা ২৪ ঘণ্টাত বিজুলী-ঢেৰেকনী, বজ্ৰপাতসহ ধাৰাষাৰ বৰষুণ হোৱাৰ আশংকা ব্যক্ত কৰিছে আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই। আনহাতে কোকৰাঝাৰ, বাক্সা, নলবাৰী, তিনিচুকীয়া, গোলাঘাট, কাৰ্বি আংলঙকে ধৰি ১৬খন জিলাত ইয়েল্ল' এলাৰ্ট জাৰি কৰা হৈছে। ইয়েল্ল' এলাৰ্ট জাৰি কৰা জিলাকেইখনতো মুষলধাৰ বৰষুণ হ'ব পাৰে বুলি মন্তব্য কৰিছে বতৰ বিজ্ঞান কেন্দ্ৰই। অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে জনোৱা মতে বিগত কেইবাদিনো ধৰি হৈ থকা ধাৰাষাৰ বৰষুণৰ বাবে ধেমাজি জিলাৰ ধেমাজি ৰাজহ চক্ৰৰ অধীনৰ এখন গাঁও আৰু গোগামুখৰ দুখন গাঁওসহ তিনিখন বানৰ কবলত পৰিছে। এই বানত প্ৰায় ডেৰ হাজাৰ লোক ক্ষতিগ্ৰস্ত হৈছে। মুঠ ২৮ হেক্টৰ কৃষিভূমি বানত বুৰ গৈছে। ইফালে পুৱতি নিশা অহা এজাক মুষলধাৰ বৰষুণৰ বাবে গুৱাহাটী মহানগৰীত ঠায়ে ঠায়ে কৃত্ৰিম বানৰ সৃষ্টি হয়। কাহিলীপাৰা, অনিল নগৰ, নবীন নগৰ, এ আই ডি চি, চানমাৰি, জুৰোড আদি বিভিন্ন অঞ্চল বানৰ কবলত পৰিছে।

oooooooo

গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী অশোক সিংহালে কালি বঙাইগাঁও আৰু অভয়াপুৰী পৌৰ সভাৰ বিষয়ববীয়াসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলাত হয়। সভাত পৌৰ সভা দুখনৰ বিভিন্ন কামকাজৰ পৰ্যালোচনা কৰা হয়। মন্ত্ৰীগৰাকীয়ে বঙাইগাঁৱৰ বিধায়ক ফণীভূষণ চৌধুৰী, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ আয়ুক্ত সচিব কবিতা পদ্মনাভন, পৌৰ প্ৰশাসনৰ সঞ্চালক টংকেশ্বৰ দাস আৰু জিলাখনৰ আয়ুক্ত নৱদীপ পাঠকৰ উপস্থিতিত নগৰ অঞ্চলৰ প্ৰধানমন্ত্ৰী আবাস যোজনা, স্বচ্ছ ভাৰত অভিযান, পি এম স্বনিধি, নগৰ আন্তঃগাথনি উন্নয়ন পুজিৰ অধীনত কৰা উন্নয়নমূলক কামকে ধৰি বিভিন্ন কামৰ পৰ্যালোচনা কৰে। মন্ত্ৰীগৰাকীয়ে চহৰৰ আচুতীয়া ঠাইত মাছ আৰু মাংসৰ বজাৰৰ ব্যৱস্থা কৰিবলৈও পৰামৰ্শ দিয়ে।

oooooooo

শিৱসাগৰ জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত স্থানীয় পিয়লি ফুকন ষ্টেডিয়ামত কালি অনুষ্ঠিত ১৫ বছৰ অনুৰ্ধ্বৰ য়ুথ ক্লাব মাণ্ডলিক ফুটবল প্ৰতিযোগিতাত বোকাখাটৰ এন আৰ এল একাডেমী চেম্পিয়ন হৈছে। ফাইনেলত এন আৰ এল একাডেমী মাজুলীৰ ৰিভাৰাইন ক্লাবক ৩-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে।

oooooooo

আই চি চি এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি হায়দৰাবাদত হ'বলগীয়া ৰাউণ্ড ৰবীন লীগৰ মেচত পাকিস্তান নেডাৰলেণ্ডছৰ মুখামুখি হ'ব। খেলখন বিয়লি ২ বজাত অনুষ্ঠিত হ'ব। ইপিনে, আহদমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত কালি অনুষ্ঠিত বিশ্বকাপৰ উদ্বোধনী খেলখনত নিউজিলেণ্ডে ইংলেণ্ডক ৯ উইকেটত পৰাস্ত কৰে। খেলখনত জয়ৰ বাবে প্ৰয়োজন হোৱা ২৮৩ ৰান নিউজিলেণ্ডে এটা উইকেটৰ বিনিময়ত ৩৬ অভাৰ আৰু দুটা বলত সংগ্ৰহ কৰে। নিউজিলেণ্ডৰ হৈ ডেভন কনৱেই ১৫২ আৰু ৰছিন ৰবিন্দ্ৰই ১২৩ ৰান কৰি অপৰাজিত হৈ থাকে। ইয়াৰ বাবে ইংলেণ্ডে প্ৰথমে বেট ধৰি জ' ৰুটৰ ৭৭, জছ বাটলাৰৰ ৪৩ ৰানৰ সহায়েৰে নিৰ্ধাৰিত ৫০ অভাৰত ৯টা উইকেট হেৰুৱাই ২৮২ ৰান কৰে।

oooooooo

চীনৰ হাংচৌত অনুষ্ঠিত এছিয়ান গেমছৰ পুৰুষ হকীৰ ফাইনেলত আজি ভাৰত জাপানৰ মুখামুখি হ'ব। ভাৰতীয় মান সময় অনুসৰি খেলখন বিয়লি ৪ বজাত অনুষ্ঠিত হ'ব। ইপিনে, ভাৰত আৰু বাংলাদেশৰ

মাজত আজি পুৰুষ ক্ৰিকেটৰ ছেমি ফাইনেল খেলখন অনুষ্ঠিত হৈছে। খেলখনত বাংলাদেশে প্ৰথমে বেট ধৰি ভাৰতক বিজয়ৰ বাবে ৯৭ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। ভাৰতীয় বলাৰৰ নিয়ন্ত্ৰিত বলিঙৰ সন্মুখত তিষ্ঠিব নোৱাৰি বাংলাদেশে ৯ উইকেটৰ বিনিময়ত ৯৬ ৰান কৰিবলৈ সমৰ্থ হয়। ইপিনে, ভাৰতৰ মহিলা কাবাদী দলে ফাইনেলত প্ৰৱেশ কৰিছে। ছেমি ফাইনেলত ভাৰতে নেপালক পৰাস্ত কৰে। কাইলৈ দলটোৱে সোণৰ পদকৰ বাবে যুঁজ দিব। উল্লেখযোগ্য যে ভাৰতে কালিৰ দিনটোলৈ এছিয়ান গেমছত ২১টা সোণ, ৩২টা ৰূপ আৰু ৩৩টা ব্ৰঞ্জৰ পদক সহ মুঠ ৮৬টা পদক অৰ্জন কৰিছে।

oooooooo

Newspaper Review (06-10-2023 Morn.)

ছিকিমৰ মহাপ্ৰলয়, মণিপুৰত অব্যাহত থকা গোষ্ঠী সংঘৰ্ষ, ৰাজ্যৰ আৰতৰীয়া বৰষুণ, ২৫ হাজাৰ পদৰ বাবে পুনৰ বিজ্ঞাপন আদি বিভিন্ন বাতৰিয়ে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত প্ৰধান বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰা দেখা গৈছে।

ছিকিমৰ ডাৱৰ বিস্ফোৰণ আৰু তাৰ পিছৰ পৰিস্থিতিৰ সন্দৰ্ভত প্ৰস্তুত কৰা বাতৰিটো কেইবাখনো বাতৰি কাকতে প্ৰথম পৃষ্ঠাত ভিন ভিন শিৰোনামেৰে প্ৰকাশ কৰিছে। **১০ মিনিটতে উটিল ২৫ হাজাৰ কোটিৰ বান্ধ ঃ আই পি এছ অশোক কুমাৰ ৰাঘৱে দাখিল কৰা পি আই এলত সন্নিৱিষ্ট আশংকাই বাস্তৱ হ'ল** শিৰোনামেৰে নিয়মীয়া বাৰ্তা কাকতে আৰু **শক্তিশালী নদীবান্ধেই সৰ্বনাশ কৰিলে ছিকিমৰ** শিৰোনামেৰে আমাৰ অসম কাকতে প্ৰথম পষ্ঠাত এই বাতৰিটো মুখ্য বাতৰিৰ স্থান দিছে। দি আছাম ট্ৰিবিউন কাকতৰ বাতৰিটোৰ শিৰোনাম **Sikkm flash flood : 18 dead, 98 missing**। দৈনিক জনমভূমি কাকতৰ বাতৰিটোৰ শিৰোনাম **নেপালৰ ভূইকঁপত এটা হ্ৰদ সংকুচিত হোৱাৰ বাবেই ছিকিমত মহাপ্ৰলয়**। ছিকিমৰ জলপ্ৰলয়ৰ পিছত অসমতো এতিয়া আশংকাৰ সৃষ্টি হৈছে। বিশেষকৈ ভূটান-অৰুণাচলৰ জলবিদ্যুৎ প্ৰকল্পই অসমতো ছিকিম সদৃশ পৰিস্থিতিৰ সৃষ্টি কৰাৰ আশংকা প্ৰবল হৈ পৰিছে। এই সন্দৰ্ভত প্ৰস্তুত কৰা এটা বিতং বাতৰি **ছিকিমৰ পৰা শিক্ষা ল'বনে চৰকাৰে ঃ ভূটান, অৰুণাচলত অনুৰূপ বিপৰ্যয় হ'লে নামনিত মহাপ্ৰলয়** শিৰোনামেৰে দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰিৰ স্থান দিছে।

ৰাজ্যত পুনৰ ২৫ হাজাৰ পদত নিযুক্তিৰ ব্যৱস্থা কৰা হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই সন্দৰ্ভত কৰা এটা ঘোষণাক **এই মাহতে পুনৰ ২৫ হাজাৰ পদৰ বিজ্ঞাপন** শিৰোনামেৰে অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানত সংঘটিত হোৱা প্ৰায় সাতশ কোটি টকীয়া এটা কেলেংকাৰীৰ তদন্তৰ নিৰ্দেশ দিছে গুৱাহাটী উচ্চ ন্যায়ালয়ে। এই বাতৰিটো প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে দৈনিক অগ্ৰদূত কাকতে। একেটা বাতৰিকে দ্য ছেণ্টিনেল কাকতেও প্ৰথম পৃষ্ঠাত গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

বিদ্যুৎ মাচুল বৃদ্ধিক লৈ চৰকাৰে গ্ৰহণ কৰা এটা সিদ্ধান্ত  অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰিৰ স্থানি দিছে।  বাতৰিটোৰ শিৰোনাম **যেতিয়াই-তেতিয়াই বাঢ়িব বিদ্যুৎ মাচুল, নিয়ামক আয়োগৰ ক্ষমতা কৰ্তন কৰি চৰকাৰৰ হঠকাৰী জাননী জাৰি**।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

oooooooo

**সমাপ্ত**